# অসম বিধান সভা
## মৌখিক প্ৰশ্ন নং- ১২১
## উত্তৰ দিয়াৰ তাৰিখ-১৪/০৭/২০২৬

বিষয় : টংলা সমষ্টি / ৰাজ্যত কেন্সাৰৰ প্ৰতিৰোধ সম্পৰ্কে।

শ্ৰী বিকন চন্দ্ৰ ডেকা, মাননীয় বিধায়ক।

মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

টংলা সমষ্টি ও ৰাজ্যত শিশুসকল আৰু কিশোৰ-কিশোৰীসকলৰ মাজত কেন্সাৰৰ প্ৰতিৰোধ, আগতীয়াকৈ চিনাক্তকৰণ আৰু চিকিৎসাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ? জনাব।

-উত্তৰ-

মাননীয় চিকিৎসা, শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী শ্ৰীযুত অশোক সিংহল মহোদয়ে উত্তৰ দিবঃ-

অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যন (ACCF) সমগ্ৰ ৰাজ্যখনতে সামগ্ৰিক কেন্সাৰ চিকিৎসা ব্যৱস্থা সুদৃঢ় কৰিবলৈ দায়বদ্ধ হৈ আছে, যাৰ ভিতৰত পেডিয়াট্ৰিক অনক'লজী (শিশু কেন্সাৰ চিকিৎসা) সেৱাৰ ক্ৰমান্বয়ে সম্প্ৰসাৰণো অন্তৰ্ভুক্ত। বৰ্তমান ডিব্ৰুগড় কেন্সাৰ কেন্দ্ৰত বিশেষ পেডিয়াট্ৰিক অনক'লজী সেৱা কাৰ্যক্ষম হৈ আছে, আৰু গুৱাহাটীৰ ষ্টেট কেন্সাৰ ইনষ্টিটিউটত (SCI) অনুৰূপ সেৱা বৰ্তমান বিকাশৰ পৰ্যায়ত আছে। লগতে, শিশু কেন্সাৰ বিশেষজ্ঞৰ উপলব্ধতাৰ ওপৰত ভিত্তি কৰি এই সেৱাসমূহ পৰ্যায়ক্ৰমে অন্যান্য ACCF হাস্পতাল সমূহলৈয়ো সম্প্ৰসাৰণ কৰাৰ প্ৰস্তাৱ ব্যৱস্থা চলি আছে। ইয়াৰ ভিতৰৰ সময়ছোৱাত, প্ৰয়োজনীয় বিশেষজ্ঞৰ উপলব্ধতাৰ ওপৰত নিৰ্ভৰ কৰি ACCF নেটৱৰ্কৰ ভিতৰত সম্পদ ভাগ-বতৰা (resource sharing) কৰাৰ জৰিয়তে ACCF হাস্পতাল সমূহত শিশু কেন্সাৰৰ ৰোগ সমূহ প্ৰতিটো ক্ষেত্ৰৰ আধাৰত (case-to-case basis) পৰীক্ষা আৰু ব্যৱস্থাপনা কৰা হৈছে।

২০২৬ চনৰ মে' মাহলৈকে এচিচিএফ (ACCF) হাস্পতালসমূহত চিকিৎসা কৰা শিশু ৰোগীসকলৰ সবিশেষ তথ্য তলত দাঙি ধৰা হ'ল।

| Sl No. | ACCF Hospitals | No. of cases |
|---|---|---|
| 1 | State Cancer Institute (SCI), Guwahati | 113 |
| 2 | Dibrugarh Cancer Centre | 81 |
| 3 | Barpeta Cancer Centre | 46 |
| 4 | Tezpur Cancer Centre | 20 |
| 5 | Darrang Cancer Centre | 19 |
| 6 | Kokrajhar Cancer Centre | 18 |
| 7 | Lakhimpur Cancer Centre | 11 |
| 8 | Jorhat Cancer Centre | 5 |
| 9 | Silchar Cancer Centre | 2 |

কেন্সাৰ প্ৰতিৰোধমূলক পদক্ষেপৰ অংশ হিচাপে, ACCF-এ ইয়াৰ কমিউনিটি আউটৰীচ প্ৰগ্ৰেম (COP) ৰ জৰিয়তে ভাৰত চৰকাৰৰ জৰায়ুৰ মুখৰ কেন্সাৰ নিৰ্মূলৰ প্ৰচেষ্টাত সক্ৰিয়ভাৱে সমৰ্থন আগবঢ়াই আহিছে। ইয়াৰ বাবে ACCF হাস্পতালসমূহত ৯ ৰ পৰা ১৪ বছৰ বয়সৰ ছোৱালীৰ বাবে লক্ষ্যণভিত্তিক 'এইচ. পি .ভি. ভেকচিনেচন কাৰ্যসূচী' (HPV

Vaccination Programme) ৰূপায়ণ কৰা হৈছে। ACCFৰ আউটৰীচ দলেও নিজৰ কাৰ্যক্ষমতাৰ ভিতৰত সজাগতা আৰু স্ক্ৰীনিং কাৰ্যসূচী চলাই আহিছে।

ৰাষ্ট্ৰীয় টিকাকৰণ কাৰ্যসূচীৰ অধীনত হেপাটাইটিছ-বি (Hep B) ৰোগ আৰু ইয়াৰ ফলত হ'ব পৰা যকৃতৰ কৰ্কট ৰোগ (Hepatocellular Carcinoma) প্ৰতিৰোধৰ বাবে ৫ বছৰৰ তলৰ বয়সৰ সকলো শিশুক হেপ-বি টিকা প্ৰদান কৰা হয়।

সমগ্ৰ ৰাজ্যত মুঠ ১৭ টা কেন্সাৰ কেন্দ্ৰ স্থাপনৰ বাবে অনুমোদন জনোৱা হৈছে, যাৰ ভিতৰত ইতিমধ্যে ১২ টা কেন্দ্ৰ— যেনে ডিব্ৰুগড়, বৰপেটা, চিলচৰ, যোৰহাট, তেজপুৰ, লখিমপুৰ, দৰং, কোকৰাঝাৰ, ডিফু, গোলাঘাট, তিনিচুকীয়া আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ 'ষ্টেট কেন্সাৰ ইনষ্টিটিউট' যিটো কেন্সাৰ চিকিৎসাৰ শীৰ্ষ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হৈছে) স্থাপন কৰা হৈছে। বাকী ৫ টা কেন্দ্ৰ সক্ৰীয় ভাবে চলি আছে আৰু অতি সোনকালে ধুবুৰী, শিৱসাগৰ, নলবাৰী, নগাঁও আৰু গোৱালপাৰা জিলাত ৰোগীৰ সেৱাৰ বাবে মুকলি কৰা হ'ব। ইয়াৰ উপৰিও, এন.এইচ.এম. (NHM) ৰ জৰিয়তে প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ নিৰ্বাচিত জিলাসমূহত ৯ টা নতুন 'ডে কেয়াৰ কেন্সাৰ কেন্দ্ৰ' (Day Care Cancer Centers) স্থাপন কৰি থকা হৈছে। উল্লেখিত এলেকাসমূহৰ কেন্সাৰ কেন্দ্ৰসমূহ টাটা ট্ৰাষ্টৰ সহযোগত আধুনিক তথা অত্যাধুনিক সা-সঁজুলিসমূহৰ সৈতে স্থাপন কৰা হৈছে।

দুৰ্গম তথা সেৱা লাভ নকৰা অঞ্চলসমূহত লক্ষ্য নিৰ্ধাৰিত জনসংখ্যাক স্ক্ৰীনিং কৰাৰ বাবে ম'বাইল মেডিকেল ইউনিট (Mobile medical units), ভিলেজ হেল্থ আউটৰীচ প্ৰগ্ৰেম (VHOP) দল আৰু অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যন (ACCF) ৰ কমিউনিটি আউটৰীচ দলসমূহে সহায় আগবঢ়াই আহিছে। ঔষধৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ 'অটল অমৃত ফাৰ্মাচী'সমূহ স্থাপন কৰা হৈছে, য'ত অতি ন্যনতম মূল্যত দৰব যোগান ধৰা হয়। তদুপৰি, পি.এম.জে.এ.ৱাই. (PMJAY) কাৰ্ড থকা ৰোগীসকলক বিনামূলীয়াকৈ ঔষধ যোগান ধৰা হয়। চৰকাৰী ব্যৱস্থা হোৱাৰ বাবে ইয়াত কেন্সাৰ চিকিৎসাৰ সুবিধাসমূহ অতি ন্যূনতম খৰচত উপলব্ধ। PMJAY কাৰ্ড থকা ৰোগীসকলক ঔষধৰ সৈতে সম্পূৰ্ণ বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰা হয়। ইয়াৰোপৰি, এই প্ৰতিষ্ঠানত জৰায়ুৰ মুখৰ কেন্সাৰৰ বাবে 'এইচ.পি.ভি. ভেকচিন' (HPV Vaccine) ৰ সুবিধাও প্ৰদান কৰা হৈছে।

সাধাৰণ সজাগতাৰ বাবে প্ৰতিষ্ঠানৰ তৰফৰ পৰা বিভিন্ন স্কুল, কলেজ আৰু আগ্ৰহী সমাজ বা সম্প্ৰদায়সমূহৰ অনুৰোধ মৰ্মে মাজে মাজে সজাগতা শিবিৰ আয়োজন কৰা হয় আৰু তাত বিনামূলীয়া স্ক্ৰীনিং টেষ্টৰ সুবিধা দিয়া হয়। অৱশ্যে, টংলা অঞ্চলৰ কেন্সাৰ চিকিৎসাৰ ব্যৱস্থাৰ সন্দৰ্ভত আপোনাক অৱগত কৰিব বিচৰা হৈছে যে দৰং জিলাত এটা কেন্সাৰ কেয়াৰ কেন্দ্ৰ স্থাপন কৰা হৈছে, য'ত টংলা অঞ্চলৰ যিকোনো কেন্সাৰ ৰোগীয়ে গৈ কেন্সাৰৰ চিকিৎসা গ্ৰহণ কৰিব পাৰিব।

অসমত কেন্সাৰ ৰোগৰ চিকিৎসা, প্ৰতিষেধক ব্যৱস্থা আৰু পৰিচৰ্য্যাৰ দিশত এক উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। চিকিৎসাৰ বাবে গুৱাহাটীৰ দৰে ডাঙৰ চহৰলৈ দৌৰাদৌৰি কৰিবলগীয়া অৱস্থাৰ সলনি কৰি এই সুবিধা অসমৰ প্ৰতিটো কোণত উপলব্ধ হোৱাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে।

---ooo---

**বিঃ দ্ৰঃ -ওপৰোক্ত উত্তৰবোৰ ইতিমধ্যে অনলাইনত আপলোড কৰা হৈছে।**

<u>পৰিপূৰক টোকা</u>

## অসমত কৰ্কট ৰোগৰ চিকিৎসা আৰু প্ৰতিৰোধমূলক ব্যৱস্থা

অসম চৰকাৰে ৰাজ্যবাসীক মানসম্পন্ন, সুলভ আৰু সহজলভ্য কৰ্কট ৰোগৰ চিকিৎসা প্ৰদান কৰাৰ লক্ষ্যৰে কৰ্কট ৰোগৰ প্ৰতিৰোধ, আগতীয়াকৈ চিনাক্তকৰণ, চিকিৎসা আৰু জনসচেতনতা বৃদ্ধিৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

**১. অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচন (Assam Cancer Care Foundation - ACCF)**

অসম চৰকাৰে **টাটা ট্ৰাষ্ট**ৰ সহযোগত **অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচন (ACCF)** গঠন কৰি ৰাজ্যজুৰি সমন্বিত কৰ্কট ৰোগৰ চিকিৎসা ব্যৱস্থা গঢ়ি তুলিছে।

- ৰাজ্যত মুঠ **১৭টা কেঞ্চাৰ কেয়াৰ চেণ্টাৰ** স্থাপনৰ অনুমোদন দিয়া হৈছে।
- ইয়াৰ ভিতৰত **১২টা কেন্দ্ৰ** ইতিমধ্যে **ডিব্ৰুগড়, বৰপেটা, শিলচৰ, যোৰহাট, তেজপুৰ, লখিমপুৰ, দৰং, কোকৰাঝাৰ, ডিফু, গোলাঘাট, তিনিচুকীয়া** আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ৰাজ্যিক কেঞ্চাৰ ইনষ্টিটিউট (State Cancer Institute)**ত কাৰ্যক্ষম হৈ আছে। ৰাজ্যিক কেঞ্চাৰ ইনষ্টিটিউটটোৱে ৰাজ্যৰ শীৰ্ষ (Apex) কেঞ্চাৰ চিকিৎসা কেন্দ্ৰ হিচাপে কাৰ্য সম্পাদন কৰি আছে।
- অৱশিষ্ট **৫টা কেন্দ্ৰ ধুবুৰী, শিৱসাগৰ, নলবাৰী, নগাঁও** আৰু **গোৱালপাৰা** জিলাত নিৰ্মাণাধীন অৱস্থাত আছে আৰু অতি সোনকালে ৰোগীৰ চিকিৎসাৰ বাবে আৰম্ভ কৰা হ'ব।
- ইয়াৰ উপৰিও, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (NHM)ৰ অধীনত ৰাজ্যৰ নিৰ্বাচিত জিলাসমূহত **৯টা ডে কেয়াৰ কেঞ্চাৰ চেণ্টাৰ (Day Care Cancer Centers - DCCC)** স্থাপন কৰা হৈছে।
- ACCF-ৰ সকলো কেঞ্চাৰ কেন্দ্ৰ আধুনিক আৰু উন্নত মানৰ চিকিৎসা আৰু ৰোগ নিৰ্ণয় সঁজুলিৰে সু-সজ্জিত।

**২. কৰ্কট ৰোগৰ স্ক্ৰীনিং আৰু আগতীয়াকৈ চিনাক্তকৰণ**

ৰাষ্ট্ৰীয় অসংক্ৰামক ৰোগ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ কাৰ্যসূচী (NP-NCD)ৰ অধীনত **৩০ বছৰ বা তাতোধিক বয়সৰ** সকলো প্ৰাপ্তবয়স্ক ব্যক্তিৰ বাবে তিনিধৰণৰ সাধাৰণ কৰ্কট ৰোগৰ স্ক্ৰীনিং কৰা হয়। সেইসমূহ হ'ল—

- মুখগহ্বৰ (Oral) কৰ্কট,
- স্তন (Breast) কৰ্কট,
- জৰায়ুমুখ (Cervical) কৰ্কট।

**৩১ মে' ২০২৬** তাৰিখলৈকে—

- **মুখগহ্বৰ কৰ্কট**ৰ বাবে **৯৫,২৪,০৯৮ জন**,
- **স্তন কৰ্কট**ৰ বাবে **৪৫,৪১,৫৫১ জন**, আৰু
- **জৰায়ুমুখ কৰ্কট**ৰ বাবে **৯,৬২,৯৬০ জন** ব্যক্তিৰ স্ক্ৰীনিং সম্পন্ন কৰা হৈছে।

*(তথ্যৰ উৎস: National NP-NCD Portal)*

দূৰৱৰ্তী আৰু দুৰ্গম অঞ্চলসমূহত স্ক্ৰীনিং সেৱা আগবঢ়াবলৈ—

- মোবাইল মেডিকেল ইউনিট,
- ভিলেজ হেল্থ আউটৰিচ প্ৰগ্ৰাম (VHOP) দল, আৰু
- ACCF-ৰ কমিউনিটি আউটৰিচ টিমে নিয়মীয়াকৈ কাৰ্য সম্পাদন কৰি আছে।

**৩. চিকিৎসা সেৱা**

অসম চৰকাৰ ৰাজ্যবাসীক সুলভ আৰু মানসম্পন্ন কৰ্কট ৰোগৰ চিকিৎসা প্ৰদানৰ বাবে বদ্ধপৰিকৰ।

- কৰ্কট ৰোগৰ চিকিৎসা **প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা (PM-JAY)** আৰু মুখ্যমন্ত্ৰী লোক সেৱক আৰোগ্য যোজনা (MMLSAY)**ৰ অধীনত অন্তৰ্ভুক্ত।
- **PM-JAY কাৰ্ডধাৰী** ৰোগীসকলে ঔষধসহ সম্পূৰ্ণ চিকিৎসা বিনামূলীয়াকৈ লাভ কৰে।
- চৰকাৰী চিকিৎসালয়সমূহত কৰ্কট চিকিৎসা অতি নামমাত্ৰ মাচুলত প্ৰদান কৰা হয়।
- আৰ্থিকভাৱে অসচ্ছল ৰোগীসকলক সময়ে সময়ে **Corporate Social Responsibility (CSR)** আঁচনিৰ অধীনত বিনামূলীয়া চিকিৎসাৰ সুবিধা প্ৰদান কৰা হয়।

- প্ৰয়োজনীয় ঔষধ সুলভ মূল্যত উপলব্ধ কৰিবলৈ **অটল অমৃত ফাৰ্মেচী (Atal Amrit Pharmacy)** স্থাপন কৰা হৈছে।

**৪. ডে কেয়াৰ কেঞ্চাৰ চেণ্টাৰ (DCCC)**

**ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়**ৰ নিৰ্দেশনা অনুসৰি অসমত **৯টা ডে কেয়াৰ কেঞ্চাৰ চেণ্টাৰ** স্থাপনৰ অনুমোদন লাভ কৰা হৈছে।

বৰ্তমান **৬টা DCCC** নিম্নোক্ত চিকিৎসালয়সমূহত কাৰ্যক্ষম—

১) ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়, বাক্সা

২) জিলা অসামৰিক চিকিৎসালয়, বঙাইগাঁও

৩) জিলা অসামৰিক চিকিৎসালয়, ধেমাজি

৪) জিলা অসামৰিক চিকিৎসালয়, হোজাই

৫) এছ. কে. ৰয় জিলা চিকিৎসালয়

৬) জিলা অসামৰিক চিকিৎসালয়, শ্ৰীভূমি

অতি সোনকালে নিম্নোক্ত চিকিৎসালয়সমূহতো সেৱা আৰম্ভ হ'ব—

১) জে. এছ. বি. অসামৰিক চিকিৎসালয়, চিৰাং

২) এছ. টি. এইচ. জি. অসামৰিক চিকিৎসালয়, মৰিগাঁও

৩) জিলা অসামৰিক চিকিৎসালয়, ওদালগুৰি

এই কেন্দ্ৰসমূহত—

- ৪ খন বিচনাযুক্ত ডে-কেয়াৰ কেম'থেৰাপী সেৱা,
- Carboplatin আৰু Paclitaxel-ভিত্তিক কেম'থেৰাপী বিনামূলীয়াকৈ,
- প্ৰয়োজনীয় পৰীক্ষা-নিৰীক্ষা বিনামূলীয়াকৈ, আৰু
- প্ৰশিক্ষিত চিকিৎসকৰ পৰামৰ্শ বিনামূলীয়াকৈ প্ৰদান কৰা হয়।

ৰোগীসকলক **ৰাজ্যিক কেঞ্চাৰ ইনষ্টিটিউট** অথবা **অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচন**ৰ চিকিৎসালয়ৰ পৰামৰ্শ অনুসৰি এই কেন্দ্ৰসমূহলৈ প্ৰেৰণ কৰা হয়। DCCC-ত চিকিৎসা গ্ৰহণ কৰা ৰোগীৰ কোনো ধৰণৰ আৰ্থিক ব্যয় বহন কৰিব নালাগে।

**৫. প্ৰতিৰোধ আৰু জনসচেতনতা**

কৰ্কট ৰোগ প্ৰতিৰোধৰ উদ্দেশ্যে ৰাজ্যজুৰি—

- বিদ্যালয়, মহাবিদ্যালয় আৰু বিভিন্ন সমাজভিত্তিক অনুষ্ঠানত নিয়মীয়াকৈ সচেতনতামূলক সভা,
- বিনামূলীয়া স্ক্ৰীনিং শিবিৰ,
- কৰ্কট ৰোগৰ ঝুঁকিৰ কাৰকসমূহৰ বিষয়ে স্বাস্থ্য শিক্ষা,
- আৰু ৰাষ্ট্ৰীয় তামাক নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত তামাকবিৰোধী সচেতনতা কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

**NFHS-6 (২০২৩–২৪)** অনুসৰি **NFHS-5 (২০১৯–২১)**ৰ তুলনাত—

- ১৫ বছৰৰ ঊৰ্ধ্বৰ মহিলাৰ মাজত তামাক ব্যৱহাৰ **৫.৭% হ্ৰাস** পাইছে।
- ১৫ বছৰৰ ঊৰ্ধ্বৰ পুৰুষৰ মাজত তামাক ব্যৱহাৰ **৬.৭% হ্ৰাস** পাইছে।

**৬. HPV টিকাকৰণ**

জৰায়ুমুখৰ কৰ্কট ৰোগ প্ৰতিৰোধৰ বাবে **Human Papillomavirus (HPV) Vaccine** প্ৰদানৰ ব্যৱস্থা ৰাজ্যৰ স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ জৰিয়তে কৰা হৈছে। ইয়াৰ লগতে বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় আৰু স্থানীয় সম্প্ৰদায়ত নিয়মীয়াকৈ জনসচেতনতা শিবিৰ আৰু বিনামূলীয়া স্ক্ৰীনিং কাৰ্যসূচীও আয়োজন কৰা হৈছে।

---০০০---